# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ মৰিচাচৰ ৰাজধানী পোৰ্ট লুইত উপস্থিত হ'ব।

২। অসম আৰু অৰুণাচল প্ৰদেশত আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে সাধাৰণ বাজেট উত্থাপন কৰা হয়।

৩। কম্বোদিয়াৰ চিয়েম ৰিয়েপত আজি তৃতীয় ভাৰত-কম্বোদিয়া বৈদেশিক মন্ত্ৰালয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়।

৪। ই-শ্ৰম পোৰ্টেলত ৩০ কোটি ৬৮ লাখৰো অধিক অসংগঠিত শ্ৰমিকে পঞ্জীয়ন কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এলৰ সম্প্ৰচাৰৰ সময়ছোৱাত সকলো ধৰণৰ ধপাতজাতীয় সামগ্ৰী আৰু সুৰাৰ বিজ্ঞাপন নিষিদ্ধ কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে আহ্বান জনাইছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ গৈ মৰিচাচত উপস্থিত হ'বগৈ। তেওঁ মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ ভ্ৰমণ তথা অহা ১২ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় দিৱস উপলক্ষে মৰিচাচত সকলোবোৰ প্ৰস্তুতি তুংগত উঠিছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ১৯৬৮ চনৰ ১২ মাৰ্চত মৰিচাচে স্বাধীনতা লাভ কৰিছিল আৰু তাৰ পাছৰে পৰা প্ৰত্যেক বছৰে ১২ মাৰ্চৰ দিনটো মৰিচাচৰ ৰাষ্ট্ৰীয় দিৱস হিচাপে পালন কৰি অহা হৈছে। ২০১৫ চনৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে এই ৰাষ্ট্ৰীয় দিৱসৰ উদ্‌যাপনত এইবাৰকে লৈ দ্বিতীয়বাৰৰ বাবে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মৰিচাচৰ ৰাজধানী পোৰ্ট লুইত অনুষ্ঠিত হ'বলগীয়া এই দিৱসত প্ৰদৰ্শন কৰিবলগীয়া দেশখনৰ কুচ্‌কাৱাজৰ আখৰা আজি পূৰ্ণ গতিত চলি আছে আৰু ভাৰতৰ কুচ্‌কাৱাজৰ এটা গোটেও ইয়াত অংশগ্ৰহণ কৰিব। এই উপলক্ষে ভাৰতীয় নৌসেনা বাহিনীৰ এখন জাহাজ মৰিচাচত উপস্থিত হৈছে আৰু ভাৰতীয় বায়ুসেনাৰ আকাশগংগা স্কাই ডাইভিঙৰ দলটোৱেও এই ৰাষ্ট্ৰীয় দিৱসত ভাগ ল'ব।

০০০

অসমৰ বিত্তমন্ত্ৰী অজন্তা নেওগে আজি অসম বিধানসভাত ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। বিত্ত মন্ত্ৰীয়ে প্ৰকাশ কাৰ অনুসৰি ৰাজ্যখনৰ পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাজেটত ৰাজহ শিতানত এক লাখ ১৭ হাজাৰ ২২৫ দশমিক ৯-৬ কোটি টকা আৰু মূলধনী শিতানত ৩৮ হাজাৰ ৭৫৯ দশমিক ১-৮ কোটি টকা ব্যয় ধাৰ্য

কৰা হৈছে। বাজেটত নতুন কোনো কৰ আৰোপৰ প্ৰস্তাৱ দিয়া হোৱা নাই। ২০২৫-২৬ বিত্তীয় বছৰৰ সামৰণিত ৰাজ্যখনৰ বাজেট ঘাটিৰ পৰিমাণ ৬২০ কোটি ২৭ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বিধানসভাতো আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে মুঠ ৩৯ হাজাৰ ৮৪২ কোটি টকাৰ বাজেট দাখিল কৰা হয়। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী চাওনা মেইনে আজি বিধানসভাত প্ৰায় ৯৬৪ কোটি ৫০ লাখ টকাৰ ঘাটি বাজেটখন দাখিল কৰে। এই বাজেটত ৰাজহ আদায়ৰ পৰিমাণ ৩৪ হাজাৰ ৫৪৪ কোটি টকা ধাৰ্য কৰা হৈছে। বাজেটত শিক্ষাৰ ক্ষেত্ৰত ৩ হাজাৰ কোটি আৰু স্বাস্থ্যৰ ক্ষেত্ৰত ৩৬৯ কোটি টকা আৱণ্টন দিয়া হৈছে।

০০০

কেন্দ্ৰীয় চৰকাৰে আজি চলিত বিত্তীয় বৰ্ষত প্ৰকৃত অতিৰিক্ত ৫১ হাজাৰ ৪৬২ কোটি টকা ব্যয়ৰ বাবে সদনৰ অনুমোদন বিচাৰে। আজি লোকসভাত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয়টো পৰিপূৰক দাবী মঞ্জুৰী দাখিল কৰে। এই অতিৰিক্ত ব্যয়ৰ ১২ হাজাৰ কোটি টকা সাৰৰ ৰাজসাহায্যত আৰু ১৩ হাজাৰ কোটিৰো অধিক টকা অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চনৰ বাবে ব্যৱহাৰ কৰা হ'ব। তদুপৰি ৮ হাজাৰ ৪৭৬ কোটি টকা প্ৰতিৰক্ষা পেঞ্চন আৰু ৫ হাজাৰ ৩২২ কোটি টকা দূৰসংযোগ বিভাগৰ বাবে ব্যয় কৰা হ'ব।

০০০

কম্বোদিয়াৰ চিয়েম ৰিয়েপত আজি তৃতীয় ভাৰত-কম্বোদিয়া  বৈদেশিক মন্ত্ৰালয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। আজিৰ বৈঠকত  ৰাজনৈতিক সহযোগিতা, বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, বিকাশ, সহযোগ, ঐতিহ্য সংৰক্ষণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত দুয়োখন দেশৰ মাজত থকা দ্বিপাক্ষিক সহযোগিতা সম্পৰ্কত আলোচনা কৰা হয়। লগতে পাৰস্পৰিক স্বাৰ্থজড়িত কেইবাটাও আঞ্চলিক আৰু বহুমাত্ৰিক বিষয়ত দুয়োপক্ষই মত বিনিময় কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি বৈঠকত দুয়োখন দেশে বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক কাৰ্যকলাপ সন্দৰ্ভত সন্তোষ প্ৰকাশ কৰাৰ লগতে স্বাস্থ্য আৰু ডিজিটেল প্ৰযুক্তিৰ দৰে বিষয়সমূহত সহযোগিতাৰ নতুন পৰিসৰ অন্বেষণ কৰাৰ সন্দৰ্ভত সন্মতি প্ৰকাশ কৰে। আজিৰ বৈঠকত ভাৰতীয় প্ৰতিনিধি দলটোক সচিব জয়দীপ মজুমদাৰে নেতৃত্ব প্ৰদান কৰে আৰু কম্বোদিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় তথা আন্তৰ্জাতিক সহযোগিতাৰ ৰাজ্য সচিব ড০ ইউ এন খ্যাঙে কম্বোদিয়াৰ  প্ৰতিনিধি দলটোৰ নেতৃত্ব বহন কৰে। উল্লেখযোগ্য যে ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ বাবে কম্বোদিয়া অন্যতম গুৰুত্বপূৰ্ণ স্তম্ভ।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে পাঞ্জাৱ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডিগড়লৈ যাব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে চণ্ডিগড়স্থিত পাঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু বাথিন্দাত থকা সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান-এইমছৰ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব। এই সময়ছোৱাত পাঞ্জাৱৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰীয়াৰ লগতে আন কেইবাগৰাকীও বিশিষ্টব্যক্তিয়ে  শ্ৰীমতী মুৰ্মুক সংগ দিব। ৰাষ্ট্ৰপতিগৰাকীৰ কাৰ্যসূচীসমূহৰ বাবে ইতিমধ্যে কটকটীয়া নিৰাপত্তাকে ধৰি সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে ই-শ্ৰম পোৰ্টেলত ৩০ কোটি ৬৮ লাখৰো অধিক অসংগঠিত শ্ৰমিকে পঞ্জীয়ন কৰা বুলি প্ৰকাশ কৰিছে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুশ্ৰী শোভা কাৰান্দলাজেই এই তথ্য প্ৰকাশ কৰি কয়, যে পঞ্জীয়নভুক্ত শ্ৰমিকসকলৰ ভিতৰত ৫৩ শতাংশতকৈ অধিক মহিলা শ্ৰমিক। কেইবাটাও কেন্দ্ৰীয় মন্ত্ৰালয় আৰু দপ্তৰৰ ১৩ খনকৈ আঁচনি ই -শ্ৰম পোৰ্টেলৰ সৈতে সংযোজিত হৈ থকা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই আঁচনিসমূহৰ ভিতৰত পি এম স্বনিধি, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা অন্যতম।

০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কৈছে, যে জলজীৱন মিছনৰ জৰিয়তে গ্ৰামাঞ্চলৰ ৮০ শতাংশতকৈও অধিক জনসাধাৰণে খোৱাপানীৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যসভাৰ এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰীপাটিলে কয়, যে ২০১৯ চনত গ্ৰামাঞ্চলৰ কেৱল ১৬ শতাংশ আৱাসীয়েহে খোৱাপানীৰ সংযোগী ব্যৱস্থাৰ সুবিধা লাভ কৰিছিল। তেওঁ লগতে কয়, যে বিশ্ব স্বাস্থ্য সংস্থাৰ এক তথ্য অনুসৰি এই মিছনে পানীৰ দ্বাৰা উদ্ভৱ হোৱা বেমাৰৰ পৰা মৃত্যু হব পৰা ৪ লাখ লোকৰ মৃত্যুক প্ৰতিৰোধ কৰিবলৈকো সক্ষম হৈছে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ আই পি এলৰ উদ্যোক্তাসকললৈ জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি খেলৰ সম্প্ৰচাৰৰ সময়ছোৱাত সকলো ধৰণৰ ধপাতজাতীয় সামগ্ৰী আৰু সুৰাৰ বিজ্ঞাপন নিষিদ্ধ কৰিবলৈ আহ্বান জনাইছে। স্বাস্থ্য সেৱাৰ সঞ্চালক প্ৰধানে আই পি এলৰ অধ্যক্ষ অৰুণ সিং ধুমললৈ প্ৰেৰণ কৰা এখন পত্ৰত ইয়াৰ লগতে আই পি এলৰ উদ্যোগত হ'বলগীয়া সকলো ধৰণৰ অনুষ্ঠানত এনে ধৰণৰ সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ কৰিবলৈও আহ্বান জনাইছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদলৈও প্ৰেৰণ কৰা পত্ৰখনত দেশত চিন্তাজনকভাৱে বাঢ়ি অহা অসংক্ৰামক ৰোগসমূহৰ ক্ষেত্ৰত ধপাত আৰু সুৰা অন্যতম শক্তিশালী কাৰক বুলি উল্লেখ কৰি ইয়াক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত আই পি এলৰ সহযোগিতা কামনা কৰা হৈছে। উল্লেখযোগ্য যে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ অষ্টাদশ সংস্কৰণ অহা ২২ মাৰ্চত আৰম্ভ হ'ব।

০০০

আগন্তুক হোলী উৎসৱ উপলক্ষে উত্তৰ ৰেলৱেই যাত্ৰীসকলৰ সুবিধা হোৱাকৈ ৪০০ খন বিশেষ ৰেলৰ চলাচল আৰম্ভ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদমেলত অংশগ্ৰহণ কৰি উত্তৰ ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া হিমাংশু শেখৰ উপাধ্যায়ে জনাইছে যে, যাত্ৰীসকলৰ সুবিধাৰ্থে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় ৰাজধানীৰ নতুন দিল্লী, আনন্দবিহাৰ, হজৰত নিজামুদ্দিন ৰেলৱে ষ্টেছনত যাত্ৰীৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা, অতিৰিক্ত নিয়ন্ত্ৰণ কক্ষ আৰু যাত্ৰী জিৰণী চ'ৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে কেইবাখনো নতুন ৰেলৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে উল্লেখ কৰে যে কেৱল বৈধ টিকটৰ জৰিয়তে যাত্ৰা কৰিব বিচৰা যাত্ৰীসকলেহে প্লেটফৰ্মত প্ৰৱেশ কৰিব পাৰিব।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **অনলাইন বিত্তীয় প্ৰবঞ্চনা** সন্দৰ্ভত ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয়ক কেন্দ্ৰৰ সঞ্চালক নিশান্ত কুমাৰ আৰু দিল্লী

আৰক্ষীৰ বিশেষ কোষৰ যুটীয়া আয়ুক্ত ৰাজনীশ গুপ্তাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১-২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি বিত্তীয় প্ৰবঞ্চকক চিনাক্ত কৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে ক'ত অভিযোগ দাখিল কৰিব পাৰি লগতে এনে প্ৰবঞ্চনাক কিদৰে এৰাই চলিব পাৰি সেই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে হোৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ-গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। মাথো দুখন গ্ৰুপ পৰ্যায়ৰ খেল বাকী থকা অৱস্থাত আজিৰ এই খেলখন অত্যন্ত গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। পইণ্ট তালিকাৰ দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাৰ মাজত আজিৰ খেলখন তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক হ'ব বুলি অনুৰাগীসকলে আশা প্ৰকাশ কৰিছে।

০০০

সমাপ্ত